# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 10-03-2025

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম বিধানসভাত বিত্তমন্ত্ৰী অজন্তা নেওগে আজি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰে। ২০২৪-২৫ বৰ্ষৰ বাজেটৰ মুঠ ব্যয় ১ লাখ ৪১ হাজাৰ ৫২৯ কোটি টকা ধাৰ্য কৰা হৈছে।

এইবাৰৰ বাজেটত ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনি অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰায় ৫ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা ১৮ লাখৰ পৰা পৰৱৰ্তী বিত্তীয় বছৰৰ শেষলৈ ৩৭ দশমিক ২ লাখলৈ বৃদ্ধি কৰা হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। বিধবা পেঞ্চনৰ হিতাধিকাৰীৰ সংখ্যাও পূৰ্বৰ ২৮ লাখৰ পৰা ৩৭ লাখ ২০ হাজাৰলৈ বৃদ্ধি কৰা হ'ব। এই আঁচনিৰ অধীনত প্ৰদান কৰি অহা ধন মাহে এহেজাৰ ২৫০ টকালৈ বৃদ্ধি কৰা হ'ব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

এইবাৰৰ বাজেটত ৰেচন কাৰ্ডৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিটো পৰিয়াললৈ মাহে ১ কিলোগ্ৰামকৈ ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনি আৰু নিমখ যোগান ধৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে প্ৰতিগৰাকী হিতাধিকাৰীলৈ ঋণৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিখন অহা ১ এপ্ৰিলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিহালী বিধানসভা সমষ্টিত আনুষ্ঠানিকভাৱে মুকলি কৰিব। তদুপৰি নিযুত মইনা আঁচনিৰ জৰিয়তে উপকৃত হ'বলগীয়া ছাত্ৰীৰ সংখ্যা ৪ লাখ ২০ হাজাৰলৈ বৃদ্ধি হ'ব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে বাজেট ভাষণত উল্লেখ কৰে। এইবাৰৰ বাজেটত গোলাঘাটৰ পাণবাৰীত ৫০০ কোটি টকা ব্যয়েৰে এটা বুৰঞ্জী সংগ্ৰহালয় নিৰ্মাণৰ প্ৰস্তাৱ কৰা হৈছে। তদুপৰি অসমীয়া মানুহৰ ইতিহাস প্ৰকাশৰ পদক্ষেপ গ্ৰহণ কৰি ৰাজ্যৰ বিদ্যালয়সমূহত অহা এপ্ৰিলৰ পৰা এই বিষয়টো বাধ্যতামূলক কৰা আৰু গুৱাহাটীত এটা প্ৰ'টন থেৰাপি কেন্দ্ৰ স্থাপনকে ধৰি ভালেমান বিষয়ত বাজেটত প্ৰস্তাৱ লোৱা হয়।

কোনোধৰণৰ অতিৰিক্ত কৰ আৰোপ নকৰাকৈ ৬২০ কোটি ২৭ লাখ টকাৰ ঘাটি বাজেটখন বিধানসভাত দাখিল কৰি শ্ৰীমতী নেওগে কয়, যে ২০২৩-২৪ বিত্তীয় বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯ শতাংশ আৰু জনমুৰি আয় ১৮ শতাংশলৈ বৃদ্ধি পাইছে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণে অসমক প্ৰগতিৰ বাট মুকলি কৰি দিয়া বুলি উল্লেখ কৰি তেওঁ কয়, যে ৰাজ্যখনত স্থায়ী শান্তি স্থাপনৰ ক্ষেত্ৰত চৰকাৰ সফল হৈছে। কেন্দ্ৰৰ পৰা অসমে ১৮ হাজাৰ ৫০০ কোটি টকাৰ সাহায্য লাভ কৰিছে বুলি প্ৰকাশ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰে। তেওঁ কয়, যে অসমত প্ৰতিদিনে ১৩ কিলোমিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ পকী পথ আৰু প্ৰায় এখনকৈ পকী দলং নিৰ্মাণ কৰি আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে উল্লেখনীয় সাফল্য লাভ কৰিছে। ছফ্‌ট পাৱাৰৰ ক্ষেত্ৰতো অসমে উদীয়মান ৰাজ্য হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে বুলি

উল্লেখ কৰি তেওঁ চৰাইদেউ মৈদামে ইউনেস্ক’ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰা, অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু নিউয়ৰ্ক টাইমছ্‌ৰ ২০২৫ বৰ্ষত ভ্ৰমণ কৰিবলগীয়া ৫২টা নিৰ্বাচিত স্থানৰ তালিকাত অসমে শীৰ্ষৰ চতুৰ্থটো স্থান লাভ কৰা সন্দৰ্ভতো বিত্তমন্ত্ৰী অজন্তা নেওগে উল্লেখ কৰে। তেওঁ কয়, যে ৭০ লাখতকৈও অধিক পৰিয়ালক পৰিয়াল পৰিচয় পত্ৰ প্ৰদানেৰে চৰকাৰে ২ কোটি ৪৫ লাখ ব্যক্তিক প্ৰধানমন্ত্ৰী গৰীব কল্যাণ যোজনাৰ আওতালৈ আনিবলৈ সমৰ্থ হৈছে।

১০৯ পৃষ্ঠাৰ এই বাজেটখনেই হৈছে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ৫ বছৰীয়া কাৰ্যকালৰ অন্তিমখন পূৰ্ণাংগ বাজেট। বিকশিত অসমৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে কৃষক, দৰিদ্ৰ শ্ৰেণী, যুৱ প্ৰজন্ম আৰু মহিলা সৱলীকৰণৰ দৰে বিষয়সমূহত এই বাজেটত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ আজিৰে পৰা তিনিদিনীয়াকৈ সাঁচি গছৰ খেতি আৰু কৃত্ৰিম ভেঁকুৰ সংস্থাপন সম্পৰ্কীয় এখন প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰা হৈছে। দেশৰ ছখন ৰাজ্যৰ ১১ গৰাকী প্ৰশিক্ষাৰ্থীয়ে এই প্ৰশিক্ষণত অংশ লৈছে। প্ৰতিষ্ঠানটোৰ সঞ্চালক ড০ নীতিন কুলকাৰ্নীয়ে উদ্বোধন কৰা প্ৰশিক্ষণত সাঁচি গছৰ পুলি বাগান প্ৰস্তুত কৰা, কৃত্ৰিমভাৱে সাঁচি গছত ভেঁকুৰ সংস্থাপন কৰি আগৰ তেল প্ৰস্তুত কৰা, ইয়াৰ পৰা উৎপাদিত সামগ্ৰী ৰপ্তানীকে ধৰি বিভিন্ন বিষয়ত প্ৰশিক্ষাৰ্থীসকলক অৱগত কৰোৱা হয়। তেওঁলোকক ক্ষেত্ৰ অধ্যয়নৰ বাবে গোলাঘাট জিলাৰ নাহৰণিলৈও লৈ যোৱা হয়।

০০০০০

অসমৰ অন্যতম জনগোষ্ঠী সোণোৱাল কছাৰীসকলে আজি খ্ৰীং খ্ৰীং বাইথ’ পূজা পালন কৰিছে। ধৰ্মীয় পৰম্পৰা, লোক বিশ্বাস আৰু ৰীতি-নীতিৰে জনগোষ্ঠীটোৰ লোকসকলে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই পূজাৰ আয়োজন কৰিছে। ধেমাজি জিলাৰ বিভিন্ন স্থানত জনগোষ্ঠীটোৰ ৰাইজে আজি এই পূজাৰ জৰিয়তে আৰাধ্য দেৱতাৰ উপাসনা কৰে। জিলাখনৰ ডেকাপামত আজি এই উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। ডেকাপাম, উদয়পুৰ, চেৰেণ সোণোৱাল আৰু নাহৰণি গাঁৱৰ ৰাইজে আজি পুৱাৰ ভাগত পূজা-অৰ্চনা কৰাৰ লগতে সোণোৱালসকলৰ বাইথ’ সংস্কৃতি সম্পৰ্কত এখন আলোচনা চক্ৰও অনুষ্ঠিত কৰে। কাইলৈ পুৱাৰ ভাগত সোণোৱাল কছাৰীসকলৰ নৱবৰ্ষৰ প্ৰথম দিন উপলক্ষে বিহু নমোৱা অনুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান আৰু প্ৰীতিভোজৰ আয়োজন কৰা হ’ব। জিলাখনৰ ৰূপনগৰ, গৈৰৈমাৰী, চিমেনচাপৰি, জোনাই, চিলাপথাৰকে ধৰি বিভিন্ন অঞ্চলত আজি এই পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰে।

০০০০০

পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাছ’ত আজি দিনৰ ভাগত হোৱা অগ্নিকাণ্ডৰ ফলত এটা বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ লগতে বৃহৎ পৰিমাণৰ সা-সম্পত্তি নষ্ট হয়। ছিং ইংতি নামৰ লোকজনৰ বাসগৃহ এই অগ্নিকাণ্ডত সম্পূৰ্ণৰূপে ভস্মীভূত হয়। বৈদ্যুতিক শ্বৰ্ট-চাৰ্কিটৰ ফলত হোৱা এই অগ্নিকাণ্ডত ৫ লাখৰো অধিক টকাৰ সা-সম্পত্তি ভস্মীভূত হয় বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

সমাপ্ত